# GENERAL STUDIES—IV

## ( Paper—5 )

*Full Marks* : 250

*Time* : 3 hours

---

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **NINETEEN** questions printed in **ENGLISH** and **ASSAMESE**.

**All** questions are compulsory.

The number of marks carried by a question/part is indicated against it.

Answers to Question Nos. **1** to **13** should be in *150* words each, whereas answers to Question Nos. **14** to **19** should be in *250* words each.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

---



Source- Assam Govt Portal

## Section—A

1. "Human behaviour builds on beliefs and values." Do you agree? Elaborate with examples. (Answer in *150* words) 10

"মানৱ আচৰণ বিশ্বাস আৰু মূল্যবোধৰ ওপৰত আধাৰিত।" আপুনি কথাফাঁকিৰ লগত সন্মতনে? উদাহৰণ সহকাৰে বহলাই লিখক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

2. Explain the following components of Emotional Intelligence briefly : (Answer in *150* words) 10

(a) Self-awareness
(b) Self-regulation
(c) Internal motivation
(d) Empathy
(e) Social awareness

তলত দিয়া আৱেগিক বুদ্ধিমত্তাৰ ভাগকেইটা চমুকৈ ব্যাখ্যা কৰক : (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

(ক) আত্ম-সজাগতা
(খ) আত্ম-নিয়ন্ত্রণ
(গ) আভ্যন্তৰীণ প্ৰেৰণা
(ঘ) সহমৰ্মিতা
(ঙ) সামাজিক সজাগতা

3. Comment on the necessity of Old Age Home in a modern society. (Answer in *150* words) 10

এটা আধুনিক সমাজত বৃদ্ধাশ্ৰমৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত মন্তব্য দিয়ক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

4. In quest of scientific and technological development, ethical values should not be neglected. Discuss it in the current context. (Answer in *150* words) 10

বিজ্ঞান আৰু প্ৰযুক্তিগত বিকাশৰ সন্ধানত, নৈতিক মূল্যবোধক অৱজ্ঞা কৰা উচিত নহয়। সাম্প্ৰতিক প্ৰেক্ষাপটত এইটো আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

5. What do you understand by Social Intelligence? Discuss its relation with Emotional Intelligence of an individual. (Answer in *150* words) 10

আপুনি সামাজিক বুদ্ধিমত্তা বুলিলে কি বুজে? এজন ব্যক্তিৰ আৱেগিক বুদ্ধিমত্তাৰ সৈতে ইয়াৰ সম্পৰ্ক আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

6. If you were a District Commissioner of a district, what steps would you take to arrest the menace of drug addiction and alcoholism in the district? (Answer in *150* words) 10

আপুনি এজন জিলাৰ জিলা আয়ুক্ত হিচাপে ড্ৰাগ আৰু সুৰা-আসক্তিৰ ব্যাধি ৰোধ কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)



Source- Assam Govt Portal

7. Critically analyze the provisions of the Public Examinations (Prevention of Unfair Means) Act, 2024 in tackling unfair means in public examination.

(Answer in *150* words) 10

লোক-পৰীক্ষা (অসৎ পন্থা নিবাৰণ) আইন, ২০২৪ত অন্তৰ্ভুক্ত ব্যৱস্থাসমূহে ৰাজহুৱা পৰীক্ষাত অসৎ পন্থা নিবাৰণত কেনেদৰে সহায় কৰিব, তাৰ এক সমালোচনাত্মক বিশ্লেষণ দাঙি ধৰক।

(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

8. "Social media has not only endangered our social fabric, it has also led to an erosion of values." Examine the statement. (Answer in *150* words) 10

''সামাজিক মাধ্যমে আমাৰ সামাজিক বিন্যাসলৈ কেৱল ভাবুকি অনাই নহয়, ই মূল্যবোধৰো অৱক্ষয় আনিছে।'' কথাফাঁকি বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

9. You are the District Commissioner of a district. The Chief Medical and Health Officer of the district hospital was constantly monitoring the treatment of a self-immolated girl during some agitation. At about 11 a.m., he informed you confidentially that the girl died. One lakh people has gathered outside the hospital as the girl was very meritorious, fought for their cause and expecting her recovery. Situation is tense. You are in the hospital with the Superintendent of Police and some police force. What will you do? Describe with reasons.

(Answer in *150* words) 10

আপুনি এখন জিলাৰ জিলা আয়ুক্ত। জিলা চিকিৎসালয়খনৰ মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া গৰাকীয়ে কোনো আন্দোলনত আত্মজাহ দিবলৈ চেষ্টা কৰা ছোৱালী এজনীৰ চিকিৎসা নিৰন্তৰভাৱে নিৰীক্ষণ কৰি আছিল। পুৱা প্ৰায় ১১ বজাত তেওঁ গোপনে আপোনাক জনালে যে ছোৱালীজনীৰ মৃত্যু হৈছে। যিহেতু ছোৱালীজনী অতি মেধাসম্পন্ন আছিল আৰু তেওঁলোকৰ স্বাৰ্থৰ হকে যুঁজিছিল, সেয়েহে চিকিৎসালয়খনৰ বাহিৰত তাইৰ আৰোগ্য কামনাৰে লক্ষাধিক লোক সমবেত হৈছে। পৰিস্থিতি উত্তেজনাপূৰ্ণ। আৰক্ষী অধীক্ষক আৰু কিছুসংখ্যক আৰক্ষীৰ লগত চিকিৎসালয়খনত আপুনি উপস্থিত আছে। এই পৰিস্থিতিত আপুনি কি পদক্ষেপ গ্ৰহণ কৰিব? যুক্তি সহকাৰে বৰ্ণনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

10. You are the Commissioner of a Municipal Corporation in Assam. You have noticed that officers and staff of the Corporation do not follow first-come, first-serve basis, instead they pick and choose their favourites and therefore citizens suffer in getting building permission, occupancy certificate, etc. The inspecting officer even raises unnecessary objections if their palm is not greased. What steps would you initiate to eradicate the menace?

(Answer in *150* words) 10

আপুনি অসমৰ এখন পৌৰ নিগমৰ আয়ুক্ত। আপুনি লক্ষ্য কৰিলে যে নিগমৰ বিষয়া আৰু কৰ্মচাৰীসকলে 'প্ৰথমে অহাজনলৈ প্ৰথম সেৱা'-ভিত্তি মানি চলা নাই আৰু তাৰ সলনি তেওঁলোকৰ প্ৰিয়ভাজনকহে আগতে সেৱা আগবঢ়ায়। ফলত নাগৰিকসকলে গৃহ নিৰ্মাণৰ অনুমতি, দখলদাৰিত্বৰ প্ৰমাণপত্ৰ আদি প্ৰাপ্তিৰ বাবে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। পৰিদৰ্শন বিষয়াজনে উপঢৌকন নিদিলে অপ্ৰয়োজনীয় আপত্তিৰ অৱতাৰণা কৰে। এই ব্যাধি নিৰ্মূল কৰিবলৈ আপুনি কি কি পদক্ষেপ গ্ৰহণ কৰিব? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)



Source- Assam Govt Portal

**11.** "The most important thing that you will ever wear is your attitude." (*Jeff Moore*) Comment on this. Can attitude be acquired or changed?

(Answer in *150* words) 10

''আপুনি পৰিধান কৰিবলগীয়া আটাইতকৈ দৰকাৰী পোছাক হ'ল আপোনাৰ দৃষ্টিভংগী (attitude).'' (জেফ্ মুৰ)। কথাফাঁকিৰ সন্দৰ্ভত আপোনাৰ মন্তব্য দিয়ক। দৃষ্টিভংগী আহৰণ বা পৰিৱৰ্তন কৰিব পাৰিনে?

(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**12.** "Certainty of punishment is more effective than quantum of punishment."

(a) Discuss the above statement in the context of preventing corruption.

(b) Suggest some innovative reforms that can be brought in to make governance more transparent and people-centric.

(Answer in *150* words) 10

''শাস্তিৰ পৰিমাণতকৈ শাস্তিৰ নিশ্চয়তা অধিক ফলপ্ৰসূ।''

(ক) দুৰ্নীতি ৰোধ কৰাৰ প্ৰসংগত উপৰোক্ত কথাফাঁকি আলোচনা কৰক।

(খ) প্ৰশাসন অধিক স্বচ্ছ আৰু জনমুখী কৰি তুলিবলৈ আনিব পৰা কিছুমান উদ্ভাৱনীমূলক সংস্কাৰৰ পৰামৰ্শ আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**13.** Discuss the ethical issues of the circumstances when big industrial houses try to influence the government policies. In this regard, suggest measures to enhance transparency and accountability in delivery of services.

(Answer in *150* words) 10

বৃহৎ ঔদ্যোগিক সংস্থাবোৰে চৰকাৰী নীতিক প্ৰভাৱান্বিত কৰিবলৈ প্ৰচেষ্টা চলোৱা অৱস্থাত উদ্ভৱ হ'ব পৰা নৈতিক বিষয়সমূহ আলোচনা কৰক। এই ক্ষেত্ৰত, সেৱা প্ৰদানৰ বাবে স্বচ্ছতা আৰু দায়বদ্ধতা বৃদ্ধিৰ বাবে হাতত ল'ব পৰা ব্যৱস্থাৱলীৰ পৰামৰ্শ দিয়ক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

## Section—B

**14.** Mr. *X* is posted as the District Commissioner of *Y* district. Mr. *X* is widely known for his passion and skill in executing the government development schemes. The government has decided to construct a big irrigation project in *Y* district to combat the drought situation which has been prevailing for years. The proposed works include diversion of rivulet, construction of RCC canals, culverts, small bridges, etc. This requires large-scale acquisition of residential and agricultural land. The landholders are opposing the land acquisition process. Mr. *X* has found that most of the people who will be affected by land acquisition process belong to marginal farmer category. In this scenario, as a civil servant, Mr. *X* must have to stick to the values of civil service. In this context—

(a) explain which will be the end-oriented values;

(b) explain which will be the means-oriented values.

(Answer in *250* words) 20



Source- Assam Govt Portal

মিষ্টাৰ $X$-ক $Y$ জিলাৰ জিলা আয়ুক্ত পদত নিয়োগ কৰা হ'ল। চৰকাৰৰ উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰাৰ ক্ষেত্ৰত তেওঁ কামৰ প্ৰতি থকা মনোযোগ আৰু দক্ষতাৰ বাবে পৰিচিত। বছৰ-বছৰ ধৰি চলি থকা খৰাং পৰিস্থিতিৰ অৱসান ঘটাবৰ বাবে চৰকাৰে $Y$ জিলাত এটা বৃহৎ জলসিঞ্চন প্ৰকল্প ৰূপায়ণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে। এই প্ৰস্তাৱিত আঁচনিয়ে সামৰি লোৱা কাম-কাজবোৰ হ'ল—এটা সুঁতিৰ দিশ পৰিৱৰ্তন কৰা, পকীনলা (canal), কালভাৰ্ট আৰু সৰু দলং ইত্যাদি নিৰ্মাণ কৰা। ইয়াৰ বাবে বৃহৎ পৰিমাণৰ আবাস-গৃহ আৰু কৃষিভূমি অধিগ্ৰহণ কৰাৰ প্ৰয়োজন। মাটিৰ মালিকসকলে ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়াটোৰ বিৰোধিতা কৰিলে। মিষ্টাৰ $X$-য়ে জানিব পাৰিলে যে, ভূমি অধিগ্ৰহণত যিসকল ব্যক্তি ভুক্তভোগী হ'ব, সেইসকলৰ অধিকাংশই প্ৰান্তীয় কৃষক শ্ৰেণীৰ। এই দৃশ্যপটত এগৰাকী অসামৰিক বিষয়া হিচাপে মিষ্টাৰ $X$ অসামৰিক সেৱাৰ মূল্যবোধত অটল হৈ থাকিব লাগিব। এই সন্দৰ্ভত—

(ক) লক্ষ্য-কেন্দ্ৰিক মূল্যবোধ কি হ'ব, ব্যাখ্যা কৰক;

(খ) উপায়-কেন্দ্ৰিক মূল্যবোধ কি হ'ব, ব্যাখ্যা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**15.** You are posted as the Superintendent of Police in an Upper Assam district. Around 100 big and small tea gardens in the district signify the socio-economic system of the district. Recently a 'witch-hunting' incident took place in a very remote tea garden leading to death of an old woman followed by group clashes. From preliminary enquiry, you found that illiteracy and unemployment had been prominently visible. The inhabitants were not much benefitted from the government schemes and tea garden authority was not showing much interest for welfare of the labourers. In this context—

(a) how will you lead the investigation considering customs and values of the society?

(b) how will you collaborate with civil administration and tea garden authority for education and awareness of the people?

(c) what may be your ethical dilemma in nabbing the culprits?

(d) what may be your suggestions to eradicate the social evils like 'witch-hunting'?

(Answer in *250* words) 20

আপুনি উজনি অসমৰ জিলা এখনৰ আৰক্ষী অধীক্ষক হিচাপে নিযুক্ত হৈছে। জিলাখনৰ প্ৰায় এশখন ডাঙৰ আৰু সৰু চাহ বাগিছাই জিলাখনৰ আৰ্থ-সামাজিক ব্যৱস্থাটো প্ৰতিফলিত কৰিছে। শেহতীয়াকৈ, এখন অতি ভিতৰুৱা চাহ বাগিছাত এটা 'ডাইনী হত্যা'ৰ ঘটনাত এগৰাকী বৃদ্ধাই প্ৰাণ হেৰুৱাৰ ফলত গোষ্ঠী সংঘৰ্ষৰ সৃষ্টি হ'ল। প্ৰাৰম্ভিক অনুসন্ধানত নিৰক্ষৰতা আৰু সংস্থাপনহীনতাৰ স্পষ্ট অৱস্থিতি আপুনি জানিব পাৰিলে। বাসিন্দাসকল চৰকাৰী আঁচনিৰ দ্বাৰা যথেষ্ট পৰিমাণে উপকৃত হোৱা নাই আৰু চাহ বাগিছা কৰ্তৃপক্ষয়ো শ্ৰমিকসকলৰ কল্যাণৰ বাবে কোনো বিশেষ আগ্ৰহ দেখুওৱা নাই। এই সন্দৰ্ভত—

(ক) সমাজৰ প্ৰচলিত ৰীতি-নীতি আৰু মূল্যবোধৰ আধাৰত আপোনাৰ অনুসন্ধান কিদৰে আগবঢ়াই নিব?

(খ) বাসিন্দাসকলৰ শিক্ষা আৰু সজাগতাৰ বাবে অসামৰিক প্ৰশাসন আৰু চাহ বাগিছা কৰ্তৃপক্ষৰ লগত আপুনি কিদৰে একেলগে কাম কৰাৰ প্ৰচেষ্টা হাতত ল'ব?

(গ) দোষীসকলক কৰায়ত্ত কৰাৰ ক্ষেত্ৰত আপোনাৰ নৈতিক সংকট (ethical dilemma) কি হ'ব?

(ঘ) 'ডাইনী হত্যা'ৰ দৰে সামাজিক কু-প্ৰথাবোৰ নিৰ্মূল কৰাৰ বাবে আপোনাৰ পৰামৰ্শ কেনেধৰণৰ হ'ব পাৰে?

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)



Source- Assam Govt Portal

16. 'Tumakbasti' is a village on the extreme north-eastern side of India-Bangladesh border, where local residents cross the border to reach a town 'Moinabari' (just a 15-minute walk away) in Bangladesh to get even the basic necessities of a day-to-day living. The village lacks basic facilities like hospital, concrete road, drinking water, school, police station and so on; the nearest Indian town falls about 100 km away from the village.

The people of the village have no other option than to cross the border to get their health check-ups and necessary medicines. Often in an emergency, the people carry the patients on their shoulders across the border where Border Guards of Bangladesh stop them for security reasons which delay patients' treatment. Consider the following statements and answer the questions :

(a) The area falls under your jurisdiction of being a District Commissioner. What actions would you take in the above-described situation?

(b) A District Commissioner has authority to do many things and if she/he wants she/he can transform the village into a modern one. How will you act in this situation and what contribution will you make for the village?

(c) Bordering areas are too sensitive and cause security problems. Open border with Bangladesh has many of such implications including robbery, killing, smuggling, etc. How will you manage such security scenario?

(Answer in *250* words) 20

ভাৰত-বাংলাদেশ সীমান্তৰ একেবাৰে উত্তৰ-পূব ফালে অৱস্থিত 'তুমাকবস্তি' নামৰ গাঁওখনত স্থানীয় বাসিন্দাসকলে দৈনন্দিন জীৱন-নিৰ্বাহৰ প্ৰয়োজনীয় সামগ্ৰীসমূহৰ বাবেও বাংলাদেশত অৱস্থিত 'মইনাবাড়ী' (মাত্ৰ ১৫ মিনিট দূৰত্বত অৱস্থিত) ঠাইখনলৈ সীমা অতিক্ৰম কৰি অহা-যোৱা কৰে। গাঁওখনত চিকিৎসালয়, পকী ৰাস্তা, খোৱা-পানীৰ সুবিধা, শিক্ষানুষ্ঠান, আৰক্ষী থানা আৰু অন্যান্য প্ৰাথমিক সুবিধাবোৰৰ অভাৱ আৰু আটাইতকৈ ওচৰৰ ভাৰতত থকা চহৰখন প্ৰায় এশ কিলোমিটাৰ দূৰত অৱস্থিত।

স্বাস্থ্য পৰীক্ষা আৰু প্ৰয়োজনীয় দৰব-পাতিৰ বাবে সীমা অতিক্ৰম কৰি যোৱাৰ বাহিৰে গাঁওবাসীৰ গত্যন্তৰ নাই। বহুক্ষেত্ৰত জৰুৰী পৰিস্থিতিত গাঁওবাসীয়ে ৰোগীক কান্ধত তুলি সীমা অতিক্ৰম কৰাৰ সময়ত বাংলাদেশৰ সীমা-সুৰক্ষা বাহিনীয়ে নিৰাপত্তাৰ খাতিৰত তেওঁলোকক বাধা দিয়াৰ কাৰণে ৰোগীৰ চিকিৎসাত বিলম্ব হয়। এতিয়া, নিম্নোক্ত কথাফাঁকিবোৰ বিবেচনা কৰক আৰু প্ৰশ্নবোৰৰ উত্তৰ দিয়ক :

(ক) এই এলেকাটো জিলা আয়ুক্ত হিচাপে আপোনাৰ কৰ্তৃত্বৰ ভিতৰত পৰে। এই পৰিস্থিতিত কি ধৰণৰ কাৰ্য-ব্যৱস্থা গ্ৰহণ কৰাটো আপুনি সম্ভৱপৰ বুলি ভাবে?

(খ) এগৰাকী জিলা দণ্ডাধীশৰ বহুত কাম কৰাৰ কৰ্তৃত্ব থাকে আৰু যদি বিচাৰে, তেওঁ গাঁওখনক আধুনিক ৰূপত গঢ় দিব পাৰে। এই পৰিস্থিতিত আপুনি কি ধৰণে কাম কৰিব আৰু গাঁওখনলৈ আপুনি কি অৰিহণা আগবঢ়াব?

(গ) সীমান্তৱৰ্তী অঞ্চলবোৰ যথেষ্ট সংবেদনশীল আৰু এইবোৰেই নিৰাপত্তাজনিত সমস্যাৰ সৃষ্টি কৰে। বাংলাদেশৰ সৈতে থকা মুক্ত সীমান্তত এনেকুৱা বহুত উদাহৰণ আছে আৰু স্থানীয় অঞ্চলবোৰত ডকাইতি, হত্যা, চোৰাং কাৰবাৰ ইত্যাদিয়ে যথেষ্ট ক্ষতি কৰিছে। এনেধৰণৰ নিৰাপত্তাজনিত পৰিস্থিতিত আপুনি কি ব্যৱস্থা গ্ৰহণ কৰিব?

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)



Source- Assam Govt Portal

**17.** "According to Buddhism, for a man to be perfect there are two qualities that should develop equally—Compassion (Karuna) on one side and Wisdom (Panna) on the other side." Analyze. (Answer in *250* words) 20

''বৌদ্ধধৰ্ম অনুসৰি এগৰাকী ব্যক্তি পূৰ্ণাঙ্গ (perfect) হ'বলৈ দুটা গুণ সমানে বিকশিত হ'ব লাগিব—তাৰে এটা হৈছে সমমৰ্মিতা আৰু আনটো প্ৰজ্ঞা।'' এইটো বিশ্লেষণ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** Nagen, who is a BPL category person, needs information about the budget of different development schemes in his village. He approached to the SPIO of the District Commissioner Office and submitted an RTI application. He forgot to enclose the required fee and being partially literate, his application was full of grammatical mistakes. In total, it was not in any format but the content can be understood. The SPIO has seen the application but did not point anything to Nagen. On completion of 30 days, the information was denied stating that his application was not in format and required fee.

(a) How far is the reason of rejection of the application justified?

(b) What is the remedy available to Nagen to get these information?

(c) Whether the SPIO failed to discharge his duties as enshrined in the RTI Act? If so, explain in detail.

(Answer in *250* words) 20

দৰিদ্ৰ সীমাৰেখাৰ তলৰ ব্যক্তি নগেনৰ তেওঁৰ গাঁওখনৰ বিভিন্ন উন্নয়নমূলক আঁচনিবোৰৰ বাজেটৰ তথ্যৰ প্ৰয়োজন হ'ল। তেওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ৰাজ্যিক জন-তথ্য অধিকাৰী (SPIO)-ৰ ওচৰত তথ্য জনাৰ অধিকাৰৰ অধীনত এখন আবেদন দাখিল কৰিলে। আবেদনপত্ৰৰ লগত তেওঁ কোনো মাচুল দিয়া নাছিল আৰু অৰ্ধশিক্ষিত হোৱাৰ বাবে তেওঁৰ আবেদনখনত বহুত ব্যাকৰণগত ভুল-ত্ৰুটি আছিল। সামগ্ৰিকভাৱে আবেদনখন নিৰ্দিষ্ট আকৃতিত (format) নাছিল যদিও মূল বক্তব্যখিনি বুজিব পৰা আছিল। তথ্য বিষয়া গৰাকীয়ে আবেদনখন দেখিছিল যদিও এইবোৰ নগেনক আঙুলিয়াই দিয়া নাছিল। ৩০ দিনৰ অন্তত আবেদনখন নিৰ্দিষ্ট আকৃতিত নথকা আৰু কোনো প্ৰয়োজনীয় মাচুল জমা নিদিয়াৰ বাবে তথ্য প্ৰদান অস্বীকাৰ কৰিলে।

(ক) আবেদনখন অস্বীকাৰ কৰাৰ কাৰণ কিমান যুক্তিসংগত?

(খ) এই তথ্যসমূহ লাভ কৰাৰ বাবে নগেনৰ কি উপায় আছে?

(গ) 'তথ্য জনাৰ অধিকাৰ' আইন অনুসৰি ৰাজ্যিক জন-তথ্য অধিকাৰীগৰাকী দায়িত্ব পালনত ব্যৰ্থ হৈছেনেকি? যদি হৈছে, বিতংভাৱে ব্যাখ্যা কৰক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** Moloypur, a remote district inhabited by a tribal population, is marked by extreme backwardness and economically underdeveloped. Agriculture is the mainstay of the local population, though it is primarily subsistence level due to the very small landholdings. There is an insignificant industrial or mining activity. Even the targeted welfare programmes have inadequately benefitted the tribal population. In this scenario, the youths have begun to migrate to other States to supplement their family income. The plight of minor girls is that their parents are persuaded by labour contractors to send them to work in the construction sites in a nearby State. The unhygienic living and working conditions in these sites have caused serious health issues for the



Source- Assam Govt Portal

minor girls. NGOs in the districts of domicile and construction firms appear to be compromised and have not effectively espoused the twin issues of child labour and development of the area.

You are appointed as the District Commissioner of Moloypur. Identify the ethical issues involved. Which specific steps will you initiate to ameliorate the conditions of minor girls of your district and to improve the overall economic scenario of the district?

(Answer in *250* words) 20

জনজাতি অধ্যুষিত মলয়পুৰ নামৰ ভিতৰুৱা জিলাখন অতি অনগ্ৰসৰ আৰু অৰ্থনৈতিকভাৱে অনুন্নত। স্থানীয় বাসিন্দাসকল যদিও মূলতঃ কৃষিৰ ওপৰতেই নিৰ্ভৰশীল, কিন্তু তেওঁলোকৰ কৃষিভূমি অতি ক্ষুদ্ৰ হোৱাৰ বাবে তেওঁলোকৰ কোনোমতেহে খাবলৈ জোৰে। তাত ঔদ্যোগিক আৰু খনি কাৰ্যবোৰৰো অস্তিত্ব নাই বুলিলেই হয়। আনকি নিৰ্দিষ্ট জনকল্যাণমুখী আঁচনিবোৰেও জনজাতীয় লোকসকলক পৰ্যাপ্ত পৰিমাণে উপকৃত কৰিব পৰা নাই। এনেকুৱা পৰিস্থিতিত, পৰিয়ালৰ আয় বৃদ্ধিৰ বাবে যুৱক-যুৱতীসকল অন্য ৰাজ্যলৈ ধাবিত হৈছে। শ্ৰমিক যোগানকাৰী ঠিকাদাৰসকলে এখন পাৰ্শ্বৱৰ্তী ৰাজ্যৰ নিৰ্মাণস্থলীত কাম কৰাৰ বাবে কম বয়সীয়া ছোৱালীবোৰৰ পিতৃ-মাতৃৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছে। এই ঠাইসমূহৰ অস্বাস্থ্যকৰ জীৱন-ধাৰণ আৰু কৰ্ম-পৰিৱেশৰ বাবে এই ছোৱালীবোৰ ভীষণ স্বাস্থ্যজনিত সমস্যাত ভুগিছে। জিলাখনৰ স্থানীয় স্বেচ্ছাসেৱী অনুষ্ঠান আৰু নিৰ্মাণকাৰী সংস্থাবোৰৰ মাজতো বুজা-পৰা আছিল আৰু শিশুশ্ৰমিক আৰু অঞ্চলটোৰ উন্নয়নৰ বাবে কোনোধৰণৰ ফলপ্ৰসূ পদক্ষেপ হাতত লোৱা নাছিল।

আপুনি মলয়পুৰৰ জিলা আয়ুক্ত হিচাপে নিযুক্ত। এই ক্ষেত্ৰত জড়িত হৈ থকা নৈতিক বিষয়বোৰ চিহ্নিত কৰক। আপোনাৰ জিলাৰ কম বয়সীয়া ছোৱালীবোৰৰ দুৰৱস্থা ৰোধ কৰাৰ বাবে আৰু জিলাখনৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থা উন্নীতকৰণৰ বাবে আপুনি কি বিশেষ পদক্ষেপ গ্ৰহণ কৰিব? **(২৫০টা** শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★



Source- Assam Govt Portal